# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-March-2026

**Time :** 0900  Hrs

***Assamese Morning Bulletin***

***Headlines***

-------------------------------

১।	আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল আৰু ইৰাণৰ আক্ৰমণ-প্ৰত্যাক্ৰমণত পশ্চিম এছিয়া আৰু মধ্যপ্ৰাচ্যৰ পৰিস্থিতি ক্ৰমাৎ জটিল।

২।	ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন। ফাকুৱা উপলক্ষে কেইবাখনো জিলাত কাইলৈ স্থানীয় বন্ধ ঘোষণা।

৩।	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি।

৪।	আজি বিশ্ব বন্যপ্ৰাণী দিৱস। বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে সকলোকে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

*আৰু*

৫।	বাৰ্মিংহামত অল ইংলেণ্ড বেডমিণ্টন ছেম্পিয়নশ্বিপত আজি ভাৰতৰ অভিযান আৰম্ভ।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে যুটীয়াভাৱে ইৰানত চলোৱা আক্ৰমণ আৰু ইৰানৰ প্ৰত্যাক্ৰমনে পশ্চিম এচিয়া আৰু মধ্যপ্ৰাচ্যৰ পৰিস্থিতি ক্ৰমাৎ জটিল কৰি তুলিছে। আমেৰিকাৰ সহযোগত ইৰাণৰ ৩১ খন প্ৰদেশৰ প্ৰায় ২৪ খনত এহেজাৰ ২০০ৰো অধিক ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱা বুলি ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰিছে। বাহৰেইন, ইৰাক, জৰ্দান, কুৱেইট, ওমান, কাটাৰ, ছৌদি আৰৱ আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰকে ধৰি ৯ খন ৰাষ্ট্ৰত ইৰাণে আক্ৰমণ কৰিছে। আমেৰিকা ইজৰাইলৰ যৌথ আক্ৰমণত ইৰাণৰ ৫৫৫ জনৰো অধিক লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। ইয়াৰে মাজত মিনাব অঞ্চলৰ এখন বালিকা প্ৰাথমিক বিদ্যালয়ত ১৮০টি শিশুৰ মৃত্যুৰ কাৰক হোৱা আক্ৰমণ সবাতোকৈ ভয়াৱহ বুলি বিবেচিত হৈছে। ইৰানৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি ইৰাণৰ সৰ্বোচ্চ নেতা আলি খামেনেইৰ পত্নীৰো এই আক্ৰমণত মৃত্যু হৈছে। ইপিনে, ইজৰাইলত ইৰাণৰ মিছাইল আক্ৰমণত বেইট ছেমইছৰ ৯ জন লোকৰ মৃত্যু আৰু ২০ জনৰো অধিক আঘাটপ্ৰাপ্ত হৈছে।

কুৱেইটত ইৰাণৰ আক্ৰমণত আমেৰিকাৰ ৪ জন সেনাৰ মৃত্যু আৰু ৫ জন গুৰুতৰভাৱে আহত হৈছে। কুৱেইট আন্তঃৰ্জাতিক বিমান বন্দৰতো ড্ৰোণ আক্ৰমণত এজনৰ মৃত্যু আৰু ৩২ জনৰো অধিক লোক আহত হোৱাৰ খবৰ আহিছে।

লেবাননত হেজবুল্লাই চলোৱা আক্ৰমণৰ পাছতেই ইজৰাইলে দিয়া প্ৰত্যুত্তৰত কমেও ৫২ জনৰ মৃত্যু হোৱাৰ উপৰি ১৫৪ জন আহত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই পৰিস্থিতিত সংযম আৰু আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। পশ্চিম এছিয়াত অব্যাহত থকা পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে ছৌদি আৰৱৰ ৰজা তথা প্ৰধানমন্ত্ৰী মহম্মদ বিন ছলমান, জৰ্ডানৰ ৰজা দ্বিতীয় আব্দুল্লা আৰু বাহৰেইনৰ ৰজা হামাদ বিন ইছা অল খালিফাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

উল্লেখযোগ্য যে, পশ্চিম এচিয়া আৰু মধ্যপ্ৰাচ্যৰ দেশসমহূৰ এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আবদ্ধ ভাৰতীয়সকলক উদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে ইতিমধ্যে প্ৰকাশ কৰিছে।

*(বাইট ঃ কিৰেন ৰিজিজু)*

০০০০০০

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈ সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে পাঁচ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। **(গীত)** বৰপেটাত দৌল উৎসৱৰ কাৰ্যসূচী সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা অৰূপ জ্যোতি মহন্ত-

*(বাইট ঃ মহন্ত)*

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গন্ধোৎসৱেৰে আৰম্ভ কৰি পৰম্পৰাগত ৰীতি-নীতিৰে গোসাঁইক কীৰ্তনঘৰৰ পৰা উলিয়াই আনি নোওৱাৰ পাছত নতুন আসনত স্থাপন কৰি ৰাম ধেমালি পৰিৱেশন কৰা হয়। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইৰ ৰভাতলৰ পৰা উলিয়াই দৌললৈ যাত্ৰা কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হয়। ৬ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা দৌল উৎসৱ পালন কৰা হৈছে। কালি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হয়। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত কালি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰে সংপৃক্ত এই সময়ে অসুয়া অপ্ৰীতি নাশি সকলোৰে জীৱন আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত

থাকিব। এই উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী প্ৰজাতিৰ অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে। ইয়াত অসমৰ স্থাপত্য, ঐতিহ্য সংৰক্ষণৰ দিহা কৰা হৈছে। এই অৰ্কিড উদ্যানৰ জৰিয়তে স্থানীয় লোকসকলে আৰ্থিক উন্নয়নৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। বন্য প্ৰাণী সংৰক্ষণৰ গুৰুত্ব আৰু  বিলুপ্ত প্ৰাণীসমূহে বিশ্বজুৰি সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে তিনি মাৰ্চ তাৰিখে বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন কৰা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিশ্ব বন্যপ্ৰাণী দিৱসৰ শুভেচ্ছা জনোৱাৰ লগতে বন্যপ্ৰাণীসমূহ যাতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সমৃদ্ধ হৈ থাকিব পাৰে, তাৰবাবে সকলোকে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনাইছে।

ইপিনে, ৰাজ্যৰ বন বিভাগত কাইলৈ ১৪৩ খন নতুন বাহনৰ সংযোজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন বাহনৰ মুকলি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈ বিয়লি আয়োজিত অনুষ্ঠানত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অংশগ্ৰহণ কৰিব।

০০০০০০

**বাৰ্মিংহামত আজি হ'বলগীয়া অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতে নিজৰ অভিযান আৰাম্ভ কৰিব, য'ত পাঁচোটা শাখাতে ১২ জনীয়া দলে অংশগ্ৰহণ কৰিছে। আমেৰিকা-ইৰাণৰ সংঘাতৰ মাজতে উপসাগৰীয় আকাশমাৰ্গ বন্ধ হোৱাৰ ফলত ডুবাইত আবদ্ধ হৈ পৰাৰ বাবে দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। ।পুৰুষৰ একক শাখাত লক্ষ্য সেনে প্ৰথম ৰাউণ্ডত বিশ্বৰ ১ নং আৰু ডিফেণ্ডিং চেম্পিয়ন চীনৰ শ্বি ইউ ছিৰ বিৰুদ্ধে অৱতীৰ্ণ হব।**

**মহিলাৰ একক শাখাত মালবিকা বানছ'ডে প্ৰথম ৰাউণ্ডত অলিম্পিক চেম্পিয়ন তথা বিশ্বৰ ৩ নং স্থানৰ চীনৰ চেন ইউফেইৰ বিৰুদ্ধে এখন প্ৰত্যাহ্বান পূৰ্ণ খেলত অংশ লব। উন্নাটি হুডাই থাইলেণ্ডৰ অষ্টম বাছনি প্ৰাপ্ত পৰ্ণপাৰী চ'চুৱঙৰ বিৰুদ্ধে খেলিব। মহিলাৰ ডাবলছত ট্ৰিছা জলী আৰু গায়ত্ৰী গোপিচাণ্ডে জাপানৰ অভিজ্ঞ যুটি ছায়াকা হিৰোটা আৰু আয়াকো ছাকুৰামোটোৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্টোৰ মিক্সড ডাবলছ যুটিয়ে মালয়েছিয়াৰ হু পাং ৰন আৰু চেং ছু য়িনৰ বিৰুদ্ধে মুখামুখি হ'ব। পুৰুষৰ ডাবলছত বিশ্বৰ প্ৰাক্তন ১ নং স্থানৰ যুটি সাতৱিকছাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে কাইলৈ মালয়েছিয়াৰ কাং খাই জিং আৰু এৰন টাইৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।**

০০০০০০

ভাৰত আৰু কানাডাই কালি 2.৬ বিলিয়ন ডলাৰ মূল্যৰ ইউৰেনিয়াম আৰু অন্যান্য গুৰুত্বপুৰ্ণ খনিজ পদাৰ্থৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মধ্য প্ৰাচ্যত চলি থকা যুদ্ধত ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানীও অংশ লব বুলি দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। যুদ্ধৰ প্ৰভাৱৰ ফলত প্ৰতি বেৰেল খাৰুৱা তেলৰ দাম ৮২ ডলাৰলৈ বৃদ্ধি হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যুদ্ধৰ প্ৰভাৱৰ ফলত ভাৰতৰ share বজাৰত বিনিয়োগকাৰিয়ে এদিনতে ৭.৮ লাখ কুৰি টকা হেৰুৱাইছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আল কায়দা, আইএএছে মধ্য প্ৰাচ্যৰ যুদ্ধৰ হিংসা ভাৰতত বিয়পোৱাৰ আশংকাত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰতিখন ৰাজ্যতে সতৰ্কতা জাৰী কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকত সমূহে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ বন্ধ বেংক একাউণ্ট আদালতে মুকলিৰ নিৰ্দেশ দিছে। এই বাতৰিটোক প্ৰায় আটাইকেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

আজি পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ। সমগ্ৰ উত্তৰ-পূব ভাৰতৰ পৰা আজি চন্দ্ৰগ্ৰহণ দেখা যাব যদিও ছিকিমকে ধৰি ভাৰতৰ অন্যান্য অঞ্চলৰ পৰা কেৱল আংশিক গ্ৰহণহে দৃশ্যমান হ'ব। ভাৰতীয় সময় অনুসৰি বিয়লি তিনি বাজি ২০ মিনিটত চন্দ্ৰৰ আংশিক গ্ৰহণ আৰম্ভ হ'ব। চাৰি বাজি ৩৪ মিনিটত ই পূৰ্ণগ্ৰহণৰ ৰূপ পাব। এই পূৰ্ণগ্ৰহণ বিয়লি ৫ বাজি ৩৩ মিনিটলৈ অব্যাহত থাকিব আৰু ৬ বাজি ৪৮ মিনিটৰ পৰা আংশিক গ্ৰহণ সমাপ্ত হ'ব। ভাৰতৰ উপৰি পূব এছিয়া, অষ্ট্ৰেলিয়া, আমেৰিকা আদিত এই চন্দ্ৰগ্ৰহণ দেখা পোৱা যাব। গুৱাহাটী তাৰকাগৃহই ছাত্ৰ-ছাত্ৰীৰ বাবে চন্দ্ৰগ্ৰহণৰ সমগ্ৰ পৰিঘটনা বিয়লি চাৰি বজাৰ পৰা দূৰবীক্ষণ যন্ত্ৰ আৰু স্ক্ৰীণৰ সহায়ত নিৰীক্ষণৰ ব্যৱস্থা কৰিছে।

০০০০০০

গুৱাহাটীৰ কাহিলীপাৰা নিবাসী লম্বোদৰ বৰদলৈৰ কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। আজি নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে দিনৰ ভাগত জোৰেৰে বতাহ বলাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে ধুমুহা-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**